**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 23-12-2025**
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণিৰ পৰিস্থিতি অধিক অৱনতি ঘটিছে। আৰক্ষীৰ গুলিচালনাত আজি আহত এজন লোকৰ বিয়লি চিকিৎসালয়ত মৃত্যু ঘটে। আমাৰ পশ্চিম কাৰ্বি আংলং জিলাৰ সংবাদদাতাই জনোৱা মতে, খেৰণিৰ সমীপৰ থেলাংপিত আজি আন্দোলনকাৰী পক্ষৰ যথেষ্ট সংখ্যক লোক সমবেত হয় আৰু তেওঁলোকে ডংকামোকামলৈ বুলি শোভাযাত্ৰা উলিয়াই কপিলী দলঙৰ ওচৰ পায়। আৰক্ষীয়ে শোভাযাত্ৰাকাৰীসকলক খেদি পঠিয়াবলৈ চেষ্টা চলায়। আনহাতে, কপিলী দলঙৰ আনটো পাৰত আন্দোলন বিৰোধী পক্ষৰ একাংশ লোকে অৱস্থান কৰি থাকে। আৰক্ষীয়ে এই দলটোক তাৰ পৰা আতৰাই পঠিয়াই যদিও আন্দোলনকাৰী পক্ষই আৰক্ষীৰ বাধা নিষেধ নেওচি বাৰে বাৰে সমবেত হয়। প্ৰতিবাদকাৰীৰ একাংশই আৰক্ষীলৈ শিলগুটি দলিয়াই আৰু লাঠি আৰু অন্য অস্ত্ৰৰে আক্ৰমণ চলায়। এই আক্ৰমণত শীৰ্ষ আৰক্ষী বিষয়াকে ধৰি কেইবাগৰাকীও আৰক্ষীৰ লোক আহত হয়। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে প্ৰথমে লাঠি চালনা আৰু পাছত গুলিচালনা কৰিবলগীয়া হয়। ইয়াৰ ফলত চিংথি টিমুং নামৰ এজন লোক আহত হয় আৰু পাছত তেওঁৰ হাস্পতালত মৃত্যু হয়। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে ৰাজ্যৰ প্ৰশাসনে পশ্চিম কাৰ্বি আংলং আৰু কাৰ্বি আংলং দুয়োখন জিলাতে মোবাইল ইণ্টাৰনেট সেৱা আজি আবেলিৰ পৰা অনিৰ্দিষ্ট কাললৈ বন্ধ কৰিছে। চৰকাৰী সূত্ৰই দিশপুৰত প্ৰকাশ কৰা অনুসৰি এই সময়ছোৱাত অৱশ্যে ভইছ টেলিফোন সেৱা আৰু ব্ৰডবেণ্ড ইণ্টাৰনেট সেৱা অব্যাহত থাকিব।

পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষী সঞ্চালক প্ৰধান হৰমীত সিং, অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান অখিলেশ কুমাৰ সিং, আৰক্ষী মহা পৰিদৰ্শক শিৱ প্ৰসাদ গাঞ্জালাই ডংকামোকামত বাহৰ পাতি আছে আৰু পৰিস্থিতি সম্পৰ্কত মুখ্যমন্ত্ৰীক অৱগত কৰাইছে।

ইপিনে, মুখ্যমন্ত্ৰীৰ নিৰ্দেশমৰ্মে ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ মন্ত্ৰী ডাঃ ৰণোজ পেগুয়েও বৰ্তমান ডংকামোকামত বাহৰ পাতি আছে আৰু পৰিস্থিতি উপশমৰ বাবে বিভিন্ন পক্ষৰ সৈতে আলোচনা চলাই আছে।

বাইট ঃ ডাঃ ৰণোজ পেগু

০০০০

বিশিষ্ট সাহিত্যিক, ঔপন্যাসিক, গল্পকাৰ ড° দীপক কুমাৰ বৰকাকতিলৈ ২০২৫ বৰ্ষৰ অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা আগবঢ়োৱা হৈছে। ড° কাকতিক **ঐশ্বৰ্য** শীৰ্ষক উপন্যাসৰ বাবে এই বঁটা আগবঢ়োৱা হৈছে। এই বঁটাত আছে নগদ ৫ লাখ টকা, প্ৰশস্তি পত্ৰ, অংগবস্ত্ৰ আৰু গ্ৰন্থৰ টোপোলা। একেদৰে বান্ধৰ

প্ৰকাশনলৈ ২০২৫ বৰ্ষৰ অসম প্ৰকাশন পৰিষদ প্ৰকাশক বঁটা আগবঢ়োৱা হৈছে। এই বঁটাত নগদ ৩ লাখ টকা, মানপত্ৰ, অংগবস্ত্ৰ আৰু কিতাপৰ টোপোলা আছে।

০০০০

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ অধীনৰ তৃতীয় বৰ্গৰ বাচনিপ্ৰাপ্ত প্ৰাৰ্থীৰ নিযুক্তিপত্ৰ অহা ১০ জানুৱাৰীত বিতৰণ কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমত এই কথা প্ৰকাশ কৰে।

০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত কাইলৈৰ পৰা ৬ জানুৱাৰীলৈ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। ১৪ দিনীয়াকৈ হ'বলগীয়া গ্ৰন্থমেলা সন্দৰ্ভত আজি খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজিত এখন সংবাদমেলত অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই সবিশেষ তথ্য প্ৰকাশ কৰে। সচিবগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি ৩ বজাত হ'বলগীয়া গ্ৰন্থমেলাৰ উদ্বোনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটোত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ লগতে সন্মানীয় অতিথি হিচাপে মুম্বাইৰ প্ৰসিদ্ধ লেখক আমিশ ত্ৰিপাঠী আৰু বিশিষ্ট অতিথি হিচাপে অসম সাহিত্য সভাৰ সভাপতি বসন্ত কুমাৰ গোস্বামী উপস্থিত থাকিব। কাইলৈ গ্ৰন্থমেলাৰ প্ৰাংগণতে জন্ম শতবৰ্ষত ড০ ভূপেন হাজৰিকা দেৱলৈ শ্ৰদ্ধাঞ্জলি শীৰ্ষক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ড০ ভূপেন হাজৰিকাৰ গীতত সমকালীনতা বিষয়ত হ'বলগীয়া অনুষ্ঠানটো সঞ্চালনা কৰিব বিশিষ্ট লেখক সুমন্ত চলিহাই। আলোচক হিচাপে বিশিষ্ট সংগীত শিল্পী কমল কটকী, ৰঞ্জন বেজবৰুৱা, লেখক-সমালোচক ড০ বিৰিঞ্চি কুমাৰ দাসে অংশগ্ৰহণ কৰিব।

উল্লেখযোগ্য যে কাইলৈ গ্ৰন্থমেলাৰ প্ৰাংগণতে বাছনি কৰা ৪০ বছৰ অনূৰ্দ্ধ ৮১৮গৰাকী যুৱ লেখক-লেখিকাক মুখ্যমন্ত্ৰী ড০ শৰ্মাই সম্বৰ্দ্ধনা জনাব। সৃষ্টিশীল সাহিত্য চৰ্চাৰ বাবে লেখক-লেখিকাসকলক অনুপ্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে তেওঁলোকক ২৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব।

০০০০০

**ঃঃ সমাপ্ত ঃঃ**